ভাৰতীয় সংবিধানত সন্নিবিষ্ট নিৰ্দেশক নীতি সমূহ ।

উত্তৰ।-- ৰাষ্ট্ৰ পৰিচালনাৰ নিৰ্দেশক নীতিসমূহ ভাৰতীয় সংবিধানৰ চতুৰ্থ অধ্যায়ত অন্তৰ্ভুক্ত কৰা আছে । সংবিধানৰ অনুচ্ছেদ ৩৬ৰ পৰা ৫১ লৈ এই নীতিসমূহ বৰ্ণনা কৰা হৈছে । আলোচনাৰ সুবিধাৰ্থে এই নীতিসমূহ তলত দিয়া ধৰনে ৪টা ভাগত ভগাব পাৰি :

(ক) অৰ্থনৈতিক নীতি (Economic Principles):- ভাৰতীয় সংবিধানৰ ৩৯,৪১,৪২ আৰু ৪৩ নং অনুচ্ছেদত কেতবোৰ অৰ্থনৈতিক নীতি উল্লেখ কৰা

আছে । এই নীতিসমূহ এনেধৰণৰঃ-

১। নাগৰিকসকলৰ জীৱিকাৰ পৰ্যাপ্ত উপায়ৰ ব্যৱস্থা কৰা ।

২। নাগৰিকৰ কল্যাণাৰ্থে সম্পদৰ সম বিতৰণ কৰা ।

৩। ৰাষ্ট্ৰীয় সম্পদ যাতে কেন্দ্ৰীভূত নহয়, তাৰ বাবে উপযুক্ত ব্যৱস্থা

কৰা ।

৪। পুৰুষ-মহিলা উভয়কে সমান কামৰ কাৰণে সমান মজুৰিৰ ব্যৱস্থা কৰা ।

৫। সকলো শ্ৰেণীৰ লোককে কামৰ অধিকাৰ দিয়া, বৃদ্ধ আৰু শাৰীৰিকভাৱে অক্ষম লোকক আৰ্থিক সাহায্য দিয়া।

৬। মাতৃত্ব লাভ কৰা সময়ত মহিলা সকলক বিশেষ গুৰুত্ব আৰু সাহায্য আগবঢ়োৱা ।

৭। জনসাধাৰণক শোষণ আৰু অৱহেলাৰ পৰা ৰক্ষা কৰাৰ

৮। শ্ৰমিকসকলৰ সুস্থতা, উপযুক্ত মজুৰি, জিৰণি আৰু সামাজিক আৰু সাংস্কৃতিক সুবিধা দিয়া।

(খ) গান্ধীবাদী নীতি (Economic Principles):-- সংবিধানৰ ৪০,৪৫,৪৬,৪৭ আৰু ৪৮ নং অনুচ্ছেদত এনে কিছুমান নীতিক স্হান দিয়া হৈছে যিবোৰ গান্ধীজীৰ নীতিৰ ওপৰত ভিত্তি কৰা হৈছে । এই নীতিসমুহ হল---

১। গাঁও অঞ্চলত পঞ্চায়তৰ ব্যৱস্থা কৰা ।

২। কুটিৰ শিল্পৰ উন্নতি সাধন কৰা ।

৩। সমাজৰ পিছপৰা শ্ৰেণী, অনুসুচীত জাতি আৰু জনজাতি লোকসকলৰ শৈক্ষিক আৰু আৰ্থিক উন্নয়ন সাধনৰ ব্যৱস্থা কৰা

৪। জীৱন-ধাৰনৰ মানদণ্ড উন্নত কৰা আৰু ঔষধৰ বাহিৰে আন কোনো ৰাগীয়াল বস্তু অথবা মাদকদৰ দ্ৰব্যৰ ব্যৱহাৰ বন্ধ কৰা।

৫। কৃষি আৰু পশুপালন ব্যৱস্থাত আধুনিক আৰু বৈজ্ঞানিক পদ্ধতিৰ ব্যৱহাৰ কৰা আৰু গো-হত্যা বন্ধ কৰা ।

(গ) আন্তঃৰাষট্ৰীয় নীতি (International Principles):- আন্তঃৰাষ্ট্ৰীয় সম্পৰ্কত পালন কৰিবলগা নীতি কিছুমান নিৰ্দেশক নীতিত সন্নিবিষ্ট কৰা আছে। সংবিধানৰ ৫১ নং অনুচ্ছেদত এই নীতিসমুহ উল্লেখ আছে। এই নীতিসমূহ হল-

১। আন্তঃৰাষ্ট্ৰীয় সম্পৰ্কত শান্তি আৰু নিৰাপত্তা বৃদ্ধি কৰা।

২। ৰাষ্ট্ৰসমুহৰ মাজত বন্ধুত্বপূৰ্ণ সম্পৰ্ক বজাই ৰখা।

৩। আন্তঃৰাষ্ট্ৰীয় আইন, সন্ধি, চুক্তি আদিৰ প্ৰতি সন্মান জনোৱা আৰু

৪। আন্তঃৰাষ্ট্ৰীয় বিবাদসমুহ মধ্যস্থতাৰ যোগেদি মীমাংসা কৰাৰ।

(ঘ) বিবিধ নীতি (Miscellaneous Principles):- ওপৰত উল্লিখিত নীতিসমূহৰ বাদেও আন কিছুমান নীতি এই অধ্যায়ত অন্তৰ্ভুক্ত কৰা আছে। সংবিধানৰ ৪৪,৪৫,৪৯, আৰু ৫০ নং অনুচ্ছেদত এই নীতিসমূহ সন্নিবিষ্ট কৰা আছে। এই নীতিসমূহ হল-

১। সমগ্ৰ ভাৰততে একে ধৰনৰ দেৱানী আইন প্ৰণয়ন কৰা।

২। ১৪ বছৰৰ তলৰ লৰা- ছোৱালীক বাধ্যতামুলক বিনামুলীয়া শিক্ষাৰ সুবিধা দিয়া ।

৩। প্ৰাচীন শিল্পকলা, ঐতিহাসিক স্মৃতি আদিৰ সংৰক্ষণৰ ব্যৱস্থা কৰা ।

৪। কাৰ্যপালিকাৰ পৰা ন্যায়পালিকাক পৃথক কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা।